জাতিৰ আৱেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ৩৭৯ ● শনিবাৰ ● ১১ আহিন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Saturday September 28 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প...

## ...জ তিনিচুকীয়া ...নাত ৰাষ্ট্ৰীয় ...ষণ মাহৰ ৰথ

...কীয়া ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ...ম্বৰ ঃ সপ্তম ৰাষ্ট্ৰীয় পোষণ ...পলক্ষে শিশু আৰু ...ৰ পৰিপুষ্টি সম্পৰ্কত ...তা বৃদ্ধিৰ উদ্দেশ্যে, ...ৰি চলি থকা ৰথ যাত্ৰাই ... তিনিচুকীয়া জিলাত ...কৰিব। ৩ খন ৰথৰ ...ৰ) দ্বাৰা তিনিচুকীয়া ... ভ্ৰমণ কৰি শিশু আৰু ...ৰ পৰিপুষ্টি সম্পৰ্কত ...তা সৃষ্টি কৰিব। কাইলৈ ...প চাহ বাগিচা, দিয়ামুলী ...গিচা আৰু দৈমুখীয়া চাহ ...ত সজাগতা অভিযান চলাব। ...ত, তিনিচুকীয়া জিলাৰ মুঠ ...ান পৰিভ্ৰমণ কৰি এই ...া অভিযান চলিব।

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত 'কথা, কবিতা আৰু নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক অনুষ্ঠান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ২৬ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত 'কথা, কবিতা আৰু নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মিয়ে আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয় যে কলা-সাহিত্যৰ চৰ্চাই এখন সমাজ সুন্দৰ কৰে। এখন সমাজ সুস্থ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সাহিত্য-সংস্কৃতিৰ চৰ্চা অধিক হোৱাটো প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতি সপ্তাহত এনে এক সাহিত্য চৰ্চাৰ কাৰ্যসূচী কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ দিশত প্ৰতিভা বিকাশত সহায়ক হ'ব। অনুষ্ঠানত শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মাই এটি বিষ্ণু ৰাভা সংগীত পৰিৱেশন কৰে। ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকনে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে চিন্ময় কলিতা, পাৰ্থ বৰা, অনুশ্ৰী বৰপাত্ৰ গোহাঁই, চয়নিকা বুঢ়াগোহাঁই, কৰিণা



বৰুৱা, বিতুপন চবৰ, পৰিস্মিতা দত্ত আদিয়ে। গীত পৰিৱেশন কৰে ক্ৰমে অংশুমান সভাপণ্ডিত কাশ্যপ, উৎপল কুৰ্মি, বেদব্যাস বড়ি, চৌমিন হাজৰিকা, স্বপ্নীল ফুকন, কাবেৰী ফুকন, প্ৰণামী চাৰহ, ভাৰ্চি গগৈ, আইচেংফা কোঁৱৰ আদিয়ে। বাঁহী বাদন কৰে স্নেহময় ফুকন আৰু নীলা খামৰ চিঠি পাঠ কৰে ভাগ্যশ্ৰী বৰুৱাই। অনুষ্ঠানত ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা জ্যোতিশিখা কাকতী, গুৰু ক্ৰীড়া সম্পাদক ৰুবুল চুতীয়া, লঘু ক্ৰীড়া সম্পাদক পাৰিতোষ বৰা, ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা বৃষ্টি গগৈ, প্ৰাক্তন আলোচনী সম্পাদিকা লক্ষ্মীপ্ৰিয়া কলিতাৰ লগতে আন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মিয়ে।

প্ৰেক্ষাগৃহত অনুষ্ঠিত দিৱসত অধ্যক্ষ ড° লোকবিকাশ গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰে। উপাধ্যক্ষা জ্যোতি সিং পাঠকে দিৱসৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। বুৰঞ্জী বিভাগৰ অধ্যাপক ৰুবুল খাটনিয়াৰে বিশ্বৰ বিভিন্ন পৰ্যটন ক্ষেত্ৰসমূহে বিশ্ব অৰ্থনীতিলৈ অৱদান আগবঢ়াই আহিছে সেই সম্পৰ্কে বক্তব্য ৰাখে। সমল ব্যক্তি, দুলীয়াজান মহাবিদ্যালয় শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মনচুন হাতীবৰুৱাই ইউৰোপৰ সাতখন ঠাই ক্ৰমে ভেনিছ, ছুইজাৰলেণ্ড, বেলজিয়াম আদি ভ্ৰমণৰ অভিজ্ঞতাৰ লগতে জীৱনটোক কিদৰে সুন্দৰ আৰু নান্দনিক কৰিব পাৰি সেই সম্পৰ্কে বক্তব্য আগবঢ়ায়। বুৰঞ্জী বিভাগৰ